নদৰামে ভাটিৰামৰ ওচৰৰ পৰা ঘৈণীয়েকক আনি পুনৰ নিজৰ কৰি ল'বৰ বাবে আইনৰ আশ্ৰয়ো লৈছিল যদিও ঘৈণীয়েকৰ মন-প্ৰাণ ভাটিৰামত মজি যোৱা বুলি জানিব পাৰি আশা আৰু চেষ্টা পৰিত্যাগ কৰিলে। নদৰামৰ এনে মানসিক পৰিৱৰ্তন আকস্মিক; কিন্তু একেবাৰে অসম্ভৱ নহয়। দৰাচলতে শৰৎচন্দ্ৰ গোস্বামীয়ে নৰ-নাৰীৰ প্ৰেমৰ ক্ষেত্ৰত বাহ্যিক বান্ধোনৰ অন্তঃসাৰ-শূন্যতা প্ৰদৰ্শন কৰি আহিছে আৰু তাৰ বিপৰীতে হৃদয়ৰ আকৰ্ষণকহে সদায় স্বীকৃতি দি আহিছে। এই বৈশিষ্ট্য গোস্বামীৰ সকলোবোৰ প্ৰেমৰ গল্পতে লক্ষ্য কৰা যায়। নৰ-নাৰীৰ প্ৰেমৰ সম্পৰ্কে এনে অগতানুগতিক দৃষ্টিভঙ্গী, কেন্দ্ৰীয় ভাবৰ ঐক্যসূত্ৰতা, চৰিত্ৰৰ বৈচিত্ৰ্য প্ৰকাশ, পৰিণতিমুখী উৎকণ্ঠা আৰু নাটকীয়ত্ব আদি গুণৰ বাবে শৰৎচন্দ্ৰ গোস্বামীৰ বহুবোৰ গল্পৰ তুলনাত নদৰাম এটা সফল গল্প।

শৰৎচন্দ্ৰ গোস্বামীৰ এক বিশেষ ধৰণৰ দৃষ্টিভঙ্গীৰ বাবে **'পিয়াহৰ পানী'** গল্পৰ এটা সুকীয়া মূল্য আছে। গল্পটোত টাইফয়েড জ্বৰত মৃত্যু হোৱা এটি শিশুৰ মাতৃৰ বেদনাকাতৰ মানসিক অৱস্থা আৰু এই অৱস্থাৰ বাবে মানসিক ভাৰসাম্য হেৰুৱাই উন্মাদ হোৱা ঘটনাটো এফালে যিদৰে হৃদয়বিদাৰক; আনফালে সেইদৰে তীব্ৰ বিদ্ৰূপাত্মক। টাইফয়েড ৰোগীক পানী খাবলৈ নিষেধ কৰা ডাক্তৰৰ অশুদ্ধ জ্ঞানৰ পৰিণতিতে মাতৃ-গৰাকীয়ে সন্তানটিক হেৰুৱাব লগা হ'ল। ডাক্তৰৰ এনে অপৰিপক্ক জ্ঞানৰ প্ৰতি তীব্ৰ বিদ্ৰূপ 'পিয়াহৰ পানী' গল্পৰ মূলভাব। এই কেন্দ্ৰীয় ভাবটোকে সংযত বৰ্ণনা, ভাষাৰ সাৱলীলতা আৰু পৰিণতিমুখী উৎকণ্ঠাৰে গল্পৰূপ দিবলৈ যত্ন কৰা হৈছে। আঙ্গিকৰ দিশত উৎকৃষ্ট মানৰ গল্প নহয় যদিও অসমীয়া চুটি গল্পৰ ইতিহাসৰ আৰম্ভণি কালৰ গল্প হিচাপে 'পিয়াহৰ পানী' গল্পই বহুখিনি সফলতা দাবী কৰিব পাৰে।

## শৰৎচন্দ্ৰ গোস্বামীৰ গল্পৰ বৈশিষ্ট্য ঃ

অসমীয়া চুটি গল্পৰ আৰম্ভণি কালৰ লেখক যদিও শৰৎচন্দ্ৰ গোস্বামীৰ (১৮৮৭—১৯৪৪) হাততে অসমীয়া চুটি গল্পই আঙ্গিকৰ দিশত বহুখিনি বিকাশ লাভ কৰিলে। গল্পাঞ্জলী (১৯১৪), ময়না (১৯২০), বাজিকৰ (১৯৩০) আৰু মৃত্যুৰ পিছত প্ৰকাশ পোৱা পৰিদৰ্শন (১৯৫৬) গল্পপুথিৰ গল্পসমূহৰ যোগেদি গোস্বামীয়ে অসমীয়া চুটি গল্পৰ ইতিহাসৰ প্ৰথম অধ্যায়টো চহকী কৰি তুলিলে।[১] উল্লেখযোগ্য যে, গোস্বামীৰ গল্পৰ বিষয় বস্তু, ভাব-বস্তু আৰু ৰূপ-বস্তু বেজবৰুৱাৰ গল্পৰ পৰা

---

১. অপ্ৰকাশিত গল্প পুথি 'গল্পমালা'ৰ গল্পসমূহ ১৯০৭ চনৰপৰা ১৯৪৩ চনৰ ভিতৰত লেখা।

বস্তুখিনি আঁতৰি আহিল আৰু এই বাবেই গোস্বামীৰ গল্পতহে অসমীয়া চুটি গল্পৰ যথাৰ্থ ইতিহাস আৰম্ভ হ'ল বুলিব লাগিব।

শৰৎচন্দ্ৰ গোস্বামীৰ গল্পৰ বিষয়-বস্তু সাধুকথাধৰ্মী বিষয়-বস্তুৰ পৰা সম্পূৰ্ণ আঁতৰি আহি বাস্তৱধৰ্মী বিষয়-বস্তুত আশ্ৰয় ল'লেহি। গ্ৰাম্য আৰু নগৰীয়া উভয় জীৱনৰ পটভূমিৰ পৰা গ্ৰহণ কৰা গোস্বামীৰ গল্পৰ বিষয়-বস্তু বাস্তৱধৰ্মী। গোস্বামীৰ গল্পৰ বিষয়-বস্তু সম্পৰ্কে হোমেন বৰগোহাঞিয়ে সঠিক মন্তব্য কৰি কৈছে -- "সাধাৰণভাৱে ক'বলৈ হ'লে, গোস্বামীৰ কেইবাটাও শ্ৰেষ্ঠ গল্পৰ প্ৰধান বিষয়-বস্তু হ'ল দ্বন্দ্ব। ব্যক্তি আৰু অৱস্থাভেদে এই দ্বন্দ্বৰ ৰূপ বেলেগ বেলেগ। কেতিয়াবা সি হৃদয় বৃত্তি বা প্ৰবৃত্তিৰ দ্বন্দ্ব (ব্ৰহ্মপুত্ৰৰ বুকুত, নদৰাম, তাৰা, সন্ন্যাসিনী), কেতিয়াবা সি ব্যক্তি আৰু সমাজৰ মাজত হোৱা দ্বন্দ্ব (ঘুনুচা, নৈৰ দাঁতিত, পশুপতিৰ বিয়া)"।[২]

ভাব-বস্তুৰ দিশত শৰৎচন্দ্ৰ গোস্বামীৰ ৰোমাণ্টিক কোমল অনুভূতিৰ শিহৰণ এটা অনুভূত হয়। সেইদৰে জীৱনৰ প্ৰতি এক মানৱীয় দৃষ্টিভঙ্গী এটা থকাৰ বাবে গোস্বামীৰ গল্পত সমাজৰ অসহায়, দুৰ্বল শ্ৰেণী মানুহৰ জীৱন চিত্ৰণত গভীৰ কাৰুণ্যই পাঠকৰ মন দোলায়িত কৰি যায়। মানুহৰ অন্যায়-অবিচাৰ, হৃদয়হীনতা, স্বাৰ্থপৰতাৰ বাবেই সমাজৰ সাধাৰণ শ্ৰেণীৰ জীৱনলৈ কাৰুণ্য অহাৰ উপৰিও নিয়তিৰ নিষ্ঠুৰ দৃষ্টিতো মানুহৰ জীৱন কাৰুণ্যৰে উপচি পৰে। এনে এটা ভাব-বস্তু গোস্বামীৰ বহু গল্পতে লক্ষ্য কৰা যায়। গোস্বামীৰ সামাজিক সচেতনতাই বহুবোৰ গল্পৰ ভাব-বস্তুক সমাজৰ ন্যায়-অন্যায়, নীতি-অনীতিৰ ওচৰ চপাই নিছে। সেয়ে গোস্বামীৰ গল্পত সমাজৰ পীড়িত, দলিত শ্ৰেণীৰ উপৰিও বিধৱাৰ জীৱন যন্ত্ৰণা সহৃদয়তাৰে প্ৰকাশ পাইছে। সংক্ষেপতে ক'বলৈ গ'লে শৰৎচন্দ্ৰ গোস্বামীৰ গল্পৰ ভাব-বস্তু মানুহৰ মৌলিক অনুভূতি তথা হৃদয় বৃত্তিৰ সৈতে যিদৰে গভীৰভাৱে সংপৃক্ত; সেইদৰে ৰোমাণ্টিক আৱেগানুভূতিৰ লগতে গোস্বামীৰ গল্পৰ ভাব-বস্তু বাস্তৱ জীৱন বৃত্তৰ লগতো নিবিড়ভাৱে জড়িত। সেইবাবে গোস্বামীৰ গল্পত ৰোমাণ্টিক আবেদন এটা অনুভূত হয় যদিও ততোধিক চিত্ৰিত হৈছে বাস্তৱ জীৱন চিত্ৰহে।

শৰৎচন্দ্ৰ গোস্বামীৰ গল্পৰ আটাইতকৈ আকৰ্ষণীয় দিশটো ৰূপবস্তুৰ বৈশিষ্ট্য। গোস্বামীৰ বান্ধোন আটিল, ভাষা অনাড়ম্বৰ আৰু বাকচাতুৰ্যৰে সমৃদ্ধ। চুটি গল্প এটি মাথোন কেন্দ্ৰস্থ ভাবৰ ওপৰত প্ৰতিষ্ঠিত শিল্পকৰ্ম। সেইফালৰ পৰা চালেও দেখা যায় যে, শৰৎচন্দ্ৰ গোস্বামীৰ গল্প এটি মাথোন কেন্দ্ৰস্থ ভাবৰেই শিল্পৰূপ। কেন্দ্ৰস্থ ভাবৰ পৰা গোস্বামীৰ গল্প বাহিৰলৈ যোৱা নাই বাবেই তেওঁৰ গল্পত ঘটনাৰ

---

২. বৰগোহাঞি, হোমেন ঃ পাতনি, অসমীয়া গল্প সংকলন, ১ম খণ্ড , পৃঃ ৩০